অসমীয়া

কবি কঙ্কণৰ যোজনা।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্রীকলামণি দাসৰ দ্বাৰা

GOVERNMENT OF ASSAM
Call No.....
DISTRICT LIBRARY

প্রকাশিত
১২২ নং আমহার্ষ্ট ষ্ট্রীট "বাণীযন্ত্র"
শ্রীনৃত্যগোপাল চক্রবর্ত্তী দ্বারা ছপা হল।

মূল্য—।০ চারি অনা মাথোন।

PLEASE HANDLE THE BOOK CAREFULLY

অসমীয়া

কবি কঙ্কণৰ যোজনা।

LIBRARY
HEM BARUA COLLECTION
TEZPUR.

প্ৰথম অধ্যায়।

(১)

জনমি মাতৃৰ স্তন পান নকৰিল।
পৰঘৰে প্ৰাণ ভৰে আশ্ৰয় লইল॥
পৰিশেষে মাতুলক কৰিলা সংহাৰ।
সেই জন মঙ্গল বিধি কৰোটা সবাৰ॥

(২)

সহস্ৰ লোচন পিতৃ, মাতৃ শচী নহয়।
কিন্তু তাৰ পিতামহ ব্যাস দেৱ হয়॥
ভনীয়েকক বিয়া কৰি পালে সনমান।
মায়েকক শাহু বুলি কৰিলা প্ৰণাম॥
বিপৰীত এই ভাৱ হৈলন্ত যাহাৰ।
কোৱাহে সুবোধ লৰা কিবা নাম তাৰ॥

(৩)

সাতাইশ অক্ষেৰে নাম যেই জন হয়।
তাৰ লগে যি বীৰেৰ হয় পৰিণয়॥

কৃষকৰ অস্ত্ৰ ধৰি কৰন্ত প্ৰলয়।
কোৱা হেৰা কোন জন সেই মহোদয়॥

(৪)

ৰবি হয় পিতামহ পৃথিবী ভিতৰ।
চাৰিবৰ্ণে ধৰে নাম যেহেন সুন্দৰ॥
যদি আগৰ দুই আখৰ কৰি পৰিহাৰ।
আকাশ মণ্ডলে সদা কৰয় বিহাৰ॥
এৰিলে পাচৰ দুটী চতুষ্পদ হয়।
দেৱ নহয় তথাপি সি কৈলাসে থাকয়॥

(৫)

মাতৃৰ গৰ্ভত জন্ম নহয় যাহাৰ।
পিতৃৰ গৰ্ভত জন্ম আশ্চৰ্য্য ব্যাপাৰ॥
ৰামায়ণে আছে তাৰ সকলো প্ৰমাণ।
কি নাম তেওঁৰ বাপা কৰাহে সন্ধান॥

(৬)

কোৱা চোন কোন জন অভিশাপে কাৰ।
দিনত আপোন মূৰ্ত্তি কৰি পৰিহাৰ॥
পশু সমে বন মাজে কৰি বিচৰণ।
ৰাত্ৰিত আপোন মূৰ্ত্তি কৰন্ত গ্ৰহণ॥

(৭)

কপট যুদ্ধত যাক কৰিয়া সংহাৰ।
ভগবানে প্ৰকাশিলে কীৰ্ত্তি আপোনাৰ॥

তাৰ পুত্ৰে প্ৰেমপূৰ্ণ দিলা আলিঙ্গন ।
কোৱা হেৰা কোন হয় সেই মহাজন ?

(৮)

চোৰ কাম কৰি যিটো খেদালা জীবন ।
দেৱ কৃপা বলে পুনঃ লভিলন্ত জ্ঞান "
মুনি ৰূপে মহা গ্ৰন্থ কৰিলা ৰচনা ।
সেই গ্ৰন্থৰ কথা ভাই সকলোবে জনা ॥
কোৱা চোন কোন জন সেই মহামতি ।
কিবা গ্ৰন্থ, আছে তাত কাহাৰ ভাৰতি ?

(৯)

নয়ন থাকোঁতে অন্ধ আপুনিয়ে হৈল ।
লোৰ ডাঙ্গ মাৰি নিজে গৰ্ভ নাশ কৈল ॥
ৰাজ-কন্যা ৰাজ-পত্নী হয় সেই তিৰী ।
কি নাম তেওঁৰ ভাই কোৱা চোন বিচাৰি ॥

(১০)

বন মাজে জন্ম তাৰ ৰজাৰ তনয় ।
লৰাতে ঈশ্বৰে তাক কৰিলা সহায় ॥
সেই নামে যোগ আছে মিছা যে নহয় ।
কি নাম তেওঁৰ ভাই কৰা হে নিৰ্ণয় ॥

(১১)

কুন্তিৰ পুত্ৰক দেখা যাহাৰ শাপত ।
প্ৰাণক মাৰিলে গৈয়া পাতাল পুৰত ।

তাৰ সহিতে দ্বন্দ হইল যি জনৰ ।
সদায় মনত হয় সেই নাম তাৰ ॥
আপদ বিনাশ হয় ভাবি চোৱা মনে ।
কি নাম তেওঁৰ হয় কোৱা এতিক্ষণে

(১২)

দুই দিন জাগি থাকে যি জন বছৰে ।
যাৰ হাতে নিধন হইলেক সমৰে ॥
কোৱা হে কিবা হয় পিতামহ তাৰ ।
সেই নামৰ বস্তু লোকে কৰয় আহাৰ ॥

(১৩)

মাকৰ গৰ্ভত সোমাই কোন জন ।
খণ্ড খণ্ড কৰি গৰ্ভ কৰিলা ছেদন ॥
তাতে হে জন্মিল উন পঞ্চাশ নন্দন ।
কোৱা হে কোন লোক হয় সেই জন

(১৪)

পূৰ্ণ ব্ৰহ্ম নাৰায়ণে ৰাক্ষসৰ যুদ্ধে ।
আগলৈ যায় এক ভৰি প্ৰতি যুদ্ধে ॥
কাৰ লগত যুদ্ধ কৰি ভয় পাই মনে ।
ভাঙ্গিলেক তিনি ভৰি বোলে ৰামায়ণে

(১৫)

আপোন ঘৰৰ শত্ৰু কোন জন হয় ।
তেওঁৰ পুত্ৰৰ নাম কৰাহে নিৰ্ণয় ॥

পাচৰ দুই আখৰ এৰি যি ৰয় তাৰ।
ভাগিৰথী তীৰে থাকে হাজাৰ হাজাৰ ॥

(১৬)

তিনি আখৰে ফুলৰ নাম অতি সুশোভন।
মাজৰ আখৰ গুচালে চাৰে গোধন ॥
শেষ বৰ্ণ গুচাই যি বিচাৰা তাকে পাবা।
বিলাতি ফুল ইটো নিশ্চয় জানিবা

(১৭)

তিনি আখৰে ফুল পৰম সুন্দৰ।
মাজৰ গুচালে হয় ফল তৃপ্তিকৰ ॥
আদি গুচালে সবায় কৰে ঘিন।
কোৱা কিবা ফুল, চাওঁ তোমাৰ চিন ॥

(১৮)

ককায়েকৰ লেজ আছে নিজৰ নাই।
দুই ভায়েকে গৰু ঘোঁৱা চাৰি ভাত খাই ॥
ব্ৰহ্মচাৰি হৈ বিয়া কৰিলে তিনি জনী।
কোৱা বাপা কিবা নাম ভাল কৰি শুনি ॥

(১৯)

পৰম সুন্দৰ ফল তিনি আখৰে নাম।
আগৰ টি গুচালে ধৰিনেই যম ॥
মাজৰ টো গুচালে চাৰি কৰা হয়।
কিবা ফল সেহি গোট কহিওঁ নিশ্চয় ॥

শেষ এৰি আদি বৰ্ণত আকাৰ মাৰি দিলে।
জেঠত লৰা হঁতৰ মাৰা মাৰি মিলে ॥

(২০)

নিচাকে দৌতাকক মাৰে মাকৰ পেটত।
ককায়েকে আপদত পৰে সোমায় গাতত ॥
শাপৰ কামোৰত যি জিউ পালে দান।
গুনি কোৱা হেৰা ভাই কোন সেই জন ॥

(২১)

স্বামী বৰ্ত্তমানে যদি বিধবা হুইব।
তিলেক নেলাগে প্ৰাণ আবশ্য ত্যজিব ॥
মৰিয়া শহুৰ ঘৰে কৰিব গমন।
তেনে হলে হব মোৰ কলঙ্ক ভঞ্জন ॥
কোৱাহে সুবোধ ভাই স্থিৰ কৰি মন।
কোন তিৰী কৰিছিল এই মত পণ ।

(২২)

পিতৃ জন্ম দিলা কিন্তু মাতৃ নাই কাছে।
মাটিত উৎপন্ন মাত্ৰ নাই ফলে গাছে ॥
আচৰিত কথা যদি মানহ সকলে।
এই কথা মিছা নহয় মাটি নৰ গিলে ॥

(২৩)

কোৱা চোন কাৰ গৰ্ভে হইল নন্দন।
পিতা পুত্ৰ দুই জনে দিয়া আলিঙ্গন ॥

শাস্ত্র যদি সঁচা বুলি কৰা অনুমান।
সত্বৰ কৰিয়া দিয়া ইয়াৰ প্ৰমাণ ॥

(২৪)

বাপেক ক্ষত্ৰিয় মাক ৰাক্ষসিণী হয়।
বিমাতাৰ শাপে বৰ বাপেকে মৰয়।
পিতৃ হন্তে মোমায়েক গৈলা যমঘৰ।
মৃত্যু কালে কোনে কৰে পিতৃ উপকাৰ ॥

(২৫)

অপ্সৰীৰ নাম ধৰে নাথাকে স্বৰ্গত।
যন্ত্ৰ নাম ধৰে কিন্তু নেলাগে শিক্ষত ॥
বিনা গৰ্ভে প্ৰসব কৰন্ত পুত্ৰগণ।
গৰ্ভ হলে হয় কিন্তু নিশ্চয় মৰণ ॥

(২৬)

যাকে দিলে সেয়ে বান্ধে, দেখি তাৰ যৈণী কান্দে।
বাধোঁতা হল দুৱাৰত বন্দী, তিৰী চোৰৰ পুৰিল অভিসন্ধি।

(২৭)

ওপজিল দুই মাকত, পৌৰাণিকক, পেলালে মাৰি।
মাকৰ মাকতকৈ, বেচি বয়সৰ বিয়া কৈলা নাৰী ॥
পলাই থাকিল পানীৰ মাজত কোন সেহি জন।
ঋষি শাপে আত্ম বিৰোধত ভৈলা সবংশে নিধন ॥

(২৮)

ৰাৱণৰ ভাই নোহে দুয় মাহ শোৱে।
গণক নহয় কিন্তু ভবিষ্যৎ কোৱে ॥

পশু নোহে চাৰি খেণ্ড আছে বিদ্যমান।
কোৱা কিবা জলে স্থলে কৰি বিচৰণ ॥

(২৯)

জন্মত নোহে মতা মাইকী, পুৰুষ ভৈলা পাছে।
মহা ৰথীক সাৰথি কৰি, মহাবীৰ মাৰি আছে ॥
যুদ্ধ সাগৰ পাৰ হৈ, গোষ্পদত গৈলা তল।
কোন সেহি জন কোৱা, বুজিয়া সকল ॥

(৩০)

খোজাত নিদিলে আগে, যাচি দিলে আনি।
লোভত দিলন্ত তাৰ, নিজ কন্যা খানি ॥
জোৱায়েকৰ কথাত নি, প্রাণ হেকৱালে।
সম্পদৰ আশাত কোনে, বিপদ ঘটালে ॥

(৩১)

চাৰি ভৰি আছে কিন্তু পশু যে নহয়।
যি ঠাইত থোৱা তাক সেই ঠাই ৰয় ॥
যাবলৈ নোৱাৰে সিতো থাকিওঁ চৰণ।
মানুহৰ ইচ্ছা হলে কৰয় বহণ ॥
কোৱা হে ভাইটী হেন বস্তু আছে ভুবনে।
বহে নিজ পৃষ্ঠে জনে, কভু বহে জনে ॥

(৩২)

জলৰ মাজত আছে দুহিকন্ত পানী।
শৰীৰত লগুণ আছে দুহিকন্ত মুণি ॥

যাত্রা কলে উচ্চাৰিলে যাত্রা ভঙ্গ হয।
কিবা সিতো বুজিয়া কহিবা মহাশয়॥

(৩৩)

কমলত আছে কিন্তু পদুমত নাই।
কটাৰিত থাকে বতাত বিচাৰি নেপায ।
ইতৰক সুধিলে কৰন্ত উচ্চাৰণ।
মূর্খে কি বুজিব ভাবি কোৱা হে সুজন॥

(৩৪)

এটি আখৰে কলো বচন।
শুনি উঠি গল তিনি জন॥
এজনে বহি খট খট কৰে।
এজনে গৈ কোৰ ধৰে॥
আন জনে পেৰা টেকেলি বিচাৰি।
কিনো আনি দিলে যতন কৰি?

(৩৫)

এটা আখৰৰ আগত দিলো মাৰি।
শুনি তুমি বেগেতে গ'লা স্থান এৰি॥
ভাই শহুৰে আনিলে বিবাহ কৰি।
চেষ্টাত নোপোৱা যত্নত পাবা বিচাৰি॥

(৩৬)

তিনি আখৰে নাম তাৰ থাকে বৈকুণ্ঠত।
আদ্য আখৰ এৰি দিলে থাকয় জাতত॥

কুমাৰ নহয় সিতো আদ্যতে থাকয়।
বুজিয়া উত্তৰ তাৰ দিয়া মহাশয়॥

(৩৭)

ৰাতি হলে জীৱে সিতো দিনে মৰে।
পাণীৰ মাজত সিতো ডুবাইয়া ৰাখে॥
জীৱন পাইলে অঙ্গ বিস্তাৰে যখন।
নেথাকে অলপো তাৰ অন্ধকাৰ প্ৰাণ॥

(৩৮)

কানৰ ওপৰত থাকে কোন মহাজন।
দোষা দোষ ভাল মন্দ কৰে নিৰূপণ॥
বিচাৰ কৰে কিন্তু ৰহে মৌনশালী।
পুৰস্কাৰ ৰূপে তাৰ মুখে দিয়ে কালী॥

(৩৯)

পৰ্দ্দাৰ মাজত থাকে আদৰ সহিত।
যৌৱনে নাহিকে ৰস একি বিপৰীত॥
শুনহ আশ্চৰ্য্য সবে যুৱক যুৱতী।
বৃদ্ধকালে হয় সিতো পূৰ্ণ ৰসবতী॥

(৪০)

ব্ৰহ্মাৰ নিৰ্ম্মিত ঘৰ নাহিকে দুৱাৰ।
যোগেন্দ্ৰ পুৰুষ তাত থাকে নিৰাহাৰ॥
কোৱাহে সুবোধ লৱা মনত বিচাৰি।
মাগুহে থায় তাক মহা যত্ন কৰি॥

(৪১)

ফকিৰৰ জন্মিল নন্দন ।
ছয় জনাৰ পিলন্ত স্তন ॥
পাতি তাক সেনাপতি ।
নির্ভয় ভৈলা সুৰপতি ॥
সুৱণী নিজে সুৱণী বাহন ।
কোৱা ভাই কোন সেঁহি জন ॥

(৪২)

পুত্রৰ কৃপাত বিয়া কৰিলন্ত নাৰী ।
সত্য ভ্রষ্ট হেতু পত্নী গৈলা কাক এৰি ॥
পুত্র বধ কৰিলন্ত হুয়া ৰাণী বশ ।
কোন সিতো মুনিগণে যাৰ গাৱে যশ ॥

(৪৩)

বিনা দোষে বন্দী সালে থাকে বন্দী হৈয়া
ছোৱালী কৰিলে চুৰ ৰাত্রি কালে গৈয়া ॥
ভণীয়েকে নিজ পুত্র কৰিলন্ত ত্যাগ ।
বিচাৰিয়া কোৱা সিতো কোন মহাভাগ ॥

(৪৪)

তিনি আখৰে শাস্ত্রৰ অংশ বিতোপণ ।
আদি এৰিলে হয় সেনাৰ মৰণ ।।
শেষ এৰি ছালে নেদেখিবা বাকী ।
মধ্য এৰি ললে যমক দিবা ফাকি ॥

(৪৫)

যাকে খোৱা তাৰে গৰ্ভত লভিলা জনম ।
তিন কালে তিন গোট তাৰ ভৈলা নাম ।।
কাৰ দুই পুত্ৰৰ ভৈলন্ত দুই জাতি ।
অগম্য গমন কৈলা তাহান সন্ততি ।।

(৪৬)

শাহুত কৰি তেওঁৰ এটা মুঠে কম ।
গৰ্ভজাত নোহে কিন্তু ৰূপে অনুপম ।।
ভাতৃ পুত্ৰ সকল মৰিল এককালে ।
ব্ৰহ্ম বধ হেতু জন্ম পিতৃৰ পুণ্য ফলে ।।

(৪৭)

কাক নিদিলে সকলো কষ্ট ।
পেট কিন্তু তাৰ অতি পুষ্ট ।।
দুজাতিৰ ভৈলন্ত শৰীৰ ।
কোন সিতে কোৱা হে সুধিৰ ।।

(৪৮)

তিনি আথৰে ফল অত্যন্ত ৰসাল ।
মধ্য এৰিলে বুজিবা অতি মন্দ কাল ।।
আদি এৰি বিচাৰিলে ফাগুন চতত পাবা ।
আতৰলৈ যাব নেলাগে ওচৰতে চাবা ।।

(৪৯)

এক অর্থৰ কথা দুটি।
ওভতাই পঢ়িলেওঁ সেটি।
মাজৰ এৰিলেওঁ অর্থ সেই।
আদি অন্তে বুজাৱে একেই ॥

(৫০)

পতিত পাবন, জগত জীৱন;
তিনি আখৰে নাম।
আগৰ টি চাকিত, শেষৰ টি লগত;
মাজৰ টি দিলে কি নাম ॥

(৫১)

পক্ষী নহে নৰ নহে তিনি আখৰে নাম।
আদি আখৰ গুচালে ঘৰে ঘৰে পাম ॥
ফল মধ্য থাকে শেষ বর্ণ পৰি হৰি।
মধ্য হীনে নদী কুলে সদা থাকে পৰি ॥

(৫২)

তিনি আখৰে ফলৰ নাম।
মাজৰ টো গুছালে ফলকে পাম ॥
আদি গুছাই খাওঁ ভাত।
অন্ত্য গুছাই জোখো ভাত ॥

(৫৩)

তিনি আখৰে নাম তাৰ মাৰিলে নাৰী।
অন্ত্য এৰি চোৱা স্বামী গৈলা এৰি ॥
মধ্য বৰ্ণ এৰিলে বিয়াই সভাই হয়।
আদি বৰ্ণ এৰিলে সৰহ বুজায় ॥

(৫৪)

যাতে জন্মে তাকে খায় অতি আচৰিত।
জল পান নকৰিয়া থাকন্ত জীবিত ॥
জল চুলে কিন্তু তাৰ হোৱয় মৰণ।
বুজিয়া কহিওঁ ভাই কোন সেহি জন ॥

(৫৫)

দুই আখৰে নাম তাৰ দেখি লাগে ভয়।
তাৰ মাত শুনি নৰে যমক ভয়॥
দিবসে শোৱয় সিতো ৰাত্রি কালে ভ্রমে।
জানা যদি কোৱা ভাই বুজি অনুক্রমে ॥

(৫৬)

তিনি আখৰে নাম তাৰ দেখিতে সুন্দৰ।
আদি বৰ্ণ এৰিলেওঁ হয় নৰৰ আহাৰ ॥
শেষ আখৰ এৰিলে মানুহে কিনে তাক।
মূর্খে বুজিব মোৰাৰে পণ্ডিতে অবাক ॥

PLEASE HANDLE THE BOOK CAREFULLY

(৫৭)

তিনি আখৰে তেওঁক আদৰে জননী।
আদি বৰ্ণ এৰিলে বুজোঁ তেওঁৰ ঘৈণী ॥
অন্ত্য দুটি এৰি যদি চোৱা মহাশয়।
তৃতীয় পুৰুষ সিটো জানিবা নিশ্চয় ॥

(৫৮)

লৈ মৰিল, দি মৰিল, কৈ মৰিল।
ভকত সকলে বোলে তিনিও তৰিল ॥

(৫৯)

তিনিটী বৰ্ণত এটি মনোহৰ ফুল।
শেষ এৰিলে সি জন যুজৰ মূল ॥
মধ্য বৰ্ণ এৰি তাতে প্ৰাণী কৰে বাস।
কেৱল প্ৰথমে অতি মৰমৰ ভাস ॥

(৬০)

তিনি আখৰে পৃথি ভাই, সবাই জানোঁ।
আদি বৰ্ণ এৰি ছালে একোতো নুশুনোঁ ॥
মধ্য বৰ্ণ এৰি হলে কাৰ্য্য হয় নাশ।
অন্ত্য দুটি এৰিলে কৰন্ত প্ৰাণী বাস ॥

(৬১)

লোকে আনিলে চুৰ কৰি—;
বিনা দোষত বান্ধে ধৰি—;

জন্মিয়ে পুতেক গল এবি—;
নাতিয়েক আহিলে ঘৰ সুৱঁৰি— ॥

(৬২)

বাপেক, ককাক, দুয়োটা জহৰা ;
পিতৃক বধিলো মই ।
অনেকৰ কোবত, মোৰ ভাই মৰিল ;
অকল-সৰিয়া হই—॥

(৬৩)

নাৰী আৰু গো বধিলোঁ কৈলো মহাপাপ ।
এতেকে পুত্রক নিলে হৃদি দিয়া তাপ ॥
পুত্র বধ কৰি লোকৰ কৰিলো মঙ্গল ।
ভাবি চোৱা তাৰ পত্নী অত্যন্ত চঞ্চল ॥

(৬৪)

মানুহ নহয় সিতো আছে হাত ভৰি ।
ফলাহাৰ কৰে কিন্তু বিচাৰি বিচাৰি ॥
ৰামৰ পৰম ভক্ত হয় সেই জন ।
চাৰি যুগে অমৰ বুলি জানে ত্রিভুবন ॥
পক্ষী যে নহয় সিতো গছতে থাকয় ।
কোৱা ভাই কিবা জন্তু জন সেহি হয় ॥

দ্বিতীয় অধ্যায়।

(১)

এজন দোকানিৰ চাৰিটা দগা আছিল। সেই চাৰি তাৰে একে বেলিয়ে এক সেৰৰ পৰা এক মোন পৰ্য্যন্ত মাল জুখিব পাৰে। দগা চাৰিটাৰ মুঠ জোখ ১৮০ মোন। বেলেগ বেলেগ জোখ কিমান?

(২)

১০০ শকে এই দৰে চাৰি ভাগ কৰা, যেন ১ম ভাগত ৪ যোগ কৰিলে, দ্বিতীয় ভাগত ৪ বিয়োগ কৰিলে, তৃতীয় ভাগক ৪ ৰে পূৰণ কৰিলে, আৰু চতুর্থ ভাগক ৪ ৰে হৰণ কৰিলে, সকলো ভাগৰ ফল সমান হব।

(৩)

এখন বনত দুই ৰাক চৰাই আছে। তাৰে প্ৰথম ৰাকে কয় মোলে তহতৰ জাকৰ পৰা এজন আহিলে তহতৰ দুগুণ হওঁ। দ্বিতীয় জাকে কলে মোলে তহতৰ জাকৰ পৰা এটা আহিলে আমি তহতৰ সমান হওঁ। কোন জাকত কিমান চৰাই আছিল?

(৪)

এটা তেলিৰ তিনিটা তেল থোৱা কলহ আছে। সেই

কলহৰ ১ম কলহত /৩ সেৰ ২য় কলহত /৫ সেৰ আৰু ৩য় কল-

/৮ সের তেল ধরে। কিন্তু তার ৩য় কলহত /৮ সের তেল
ই, এটা মানুহে /৪ সের তেল নিবলৈ খুজিলে, তাক সেই
টা কলহরে কেনেকৈ তেল জুখি দিব, ভগাই দিয়া।

(৫)

এজন মানুহর তিনিটা পুতেক আছিল। সিহতর ১ম
ান, ২য় দুদোন, ৩য় তিনি দোন, এই দরে নয়টা বিধান
। টোপোলা আছিল। এই সময়তে সিহতর বাপেক মরিলে
ক মরার পাচত সিহতে বেলেগ বেলেগ ঘর করিলে।
ক হতে সেই বিধান ধানর টোপোলা এইদরে ভাগ করিলে,
টোপোলাত সমান পালে, ধানো সমান পালে কোন জনে
ান দুনিয়া টোপোলা পালে।

(৬)

এটা ইস্কুলর মাহেকত মাহিনা ৯৮৩ পাই হয়। সেই ইস্কু
ৎতিটা ছাত্রই, এটা এটা পইচা দিয়ে, ইস্কুলর ছাত্রর
া কিমান।

(৭)

তিনি ডাল কুহিয়ার তিনিটা কোর মাজি নয় ডোখর করা।

(৮)

এজন মানুহর এখন ফুলর বাগান আছে। সেই ফুল বাগান
দরে পতিছে যে তার দীঘলে ৯০ সারি, পথালিয়ে ৩ সারি,
সারিত ৫ কোণাকৈ গছ আছে। কিন্তু মোট গছ ১১

জোপা মাথোন আছে। বাগান খন কি দবে পাতিছে নির্ণয় করা।

তিনিটা মট মানুহে তিনি জনী মাইকী মানুহ চুব কবি আনিছিল। সেই মটা তিনি জনব মাজত এইটো বন্দবস্ত আছিল, যে এটা মটাবে যদি, দুজনা বা তিনি জনী মাইকী একলাই পায় তেনে হলে চুব কবি নৈ যায়। সিহঁতে মাইকী তিনি জনকৈ এখন নৈ পালে। কিন্তু নৈবঘাটত এখন ডঙা নাও আছে। সেই নাওঁত দুই জন মানুহে পাব হবলৈ পাবে সেই মটা আৰু মাইকী মানুহে কি দবে নৈ পাব হব।

(১০)

এটা মানুহে পান ছাগলি আৰু বাঘ এটা আনিছিল আহি আহি এটা নৈ পালে। নৈব ঘাটত দুই ডাল কলব এখন ভূব পালে। কিন্তু তাত এটাত ভিন্ন তিনটা পাব হব নোবাবি. আৰু ছাগলিলৈ পান খায়, বাঘে ছাগলি খায়। এনে কুৰা আপদত সি পান, ছাগলি, বাঘক কি দবে পাব কবিব।

(১১)

এজন ভদ্র লোকে কিছুমান টকাব টোপালা এটা এই দবে বান্ধি বাখিলে, যে ১ম ১৲ টকা ২য় ২৲ টকা ৩য় ৩৲ টকা ইত্যাদি এটকা এটকা বেচিকৈ বন্ধা এনেকুবা ৪৯টা টকাব টোপোলা [redacted]

কৰি নিবলৈ কলে, যে প্ৰতি মানুহে টকা সমান পাব, আৰু টোপোলাওঁ সমান পাব, কোনে কিমান টকা থকা টোপোলা পাব।

(১২)

এজন মানুহে কোনো সকামৰ নিমিত্তে প্ৰতি ব্ৰাহ্মণক ২৲ টকা প্ৰতি দৈবজ্ঞক ১৲ টকা আৰু প্ৰতি দুখিয়াক ৵০ অনা হিসাবে দান দিলে। শেষত হিসাব কৰি ছালে সৰ্ব্ব মোট মানুহ ১০০ আৰু ১০০৲ টকা খৰচ হল। কোন বিধৰ কিমান মানুহ আহিছিল নিৰ্ণয় কৰা।

(১৩)

৪৫ ক এই দৰে চাৰি ভাগে বিভক্ত কৰা যে ১ম ভাগত ২ যোগ কৰিলে, ২য় ভাগৰ পৰা ২ বিয়োগ কৰিলে, ৩য় ভাগক ২ দি পূৰণ কৰিলে আৰু ৪র্থ ভাগক ২ দি ভাগ কৰিলেওঁ ভাগ ফল ৪ টা পৰস্পৰ সমান হব।

(১৪)

এখন দেৱালয়ত চাৰিটা পুখুৰি আছে। সেই পুখুৰিৰ পাৰত ৭টা শিৱ মূৰ্ত্তি আছে। এজন পূজাৰিয়ে ফুল লৈ পূজা কৰিবলৈ গল। সেই ফুল পুখুৰিত ধোৱা মাত্ৰকে দুগুণ হল, তাৰে কিছু মান ফুলেৰে ১ম টোক পূজা কৰিলে, বাকী ফুল পুখুৰিত ধোৱা মাত্ৰকে দুগুণ হল। তাৰে কিছুমানেৰে ২য় টোক পূজিলে। এই দৰে চাৰিটাক পূজি শূন্য হাতে ঘৰলৈ আহিলে। কিমান ফুলেৰে চাৰিটা শিৱ মূৰ্ত্তিক পূজা কৰিছিল ?

প্ৰথম অধ্যায়।

উত্তৰ মালা।

১। শ্ৰীকৃষ্ণ; ২। অজ্জুন; ৩। বলৰাম;
৪। বৃষকেতু, ৫। মান্ধাতা ৬। উৰ্ব্বশী, দুৰ্ব্বাসাৰ শাপত্ত দিনত অশ্বিনী ৰূপে, ৰাতি আপোন মূৰ্ত্তি পাইছিল।
৭। অঙ্গদ, ৮। বাল্মীকিয়ে ৰামায়ণ, কৰিছিল।
৯। গান্ধাৰী; ১০। ধৰ; ১১। দুৰ্গানাম।
১২। অজ; ১৩। ইন্দ্ৰ; ১৪। মকৰাক্ষ;
১৫। গোলাপ; ১৬। কমল; ১৭। অজ্জুন,
১৮। অমৰা; ১৯। ভীম; ২০। দ্ৰৌপদী,
২১। সীতাদেবী, ২২। কুন্তীৰ গৰ্ভত সূৰ্য্য পুত্ৰ কৰ্ণ ও সূৰ্য পুত্ৰ যম আৰু যমৰ পুত্ৰ যুধিষ্ঠিৰ। ২৩। ঘটৎকচ;
২৪। কল; ২৫। বলি; ২৬। বলৰাম,
২৭। ভেকুলি; ২৮। শিখন্ডী, ২৯। সত্ৰাজিত
৩০। চৌকি; ৩১। ৰ; ৩২। ক,
৩৩। ব; ৩৪। ঘ; ৩৫। বকুল;
৩৬। চাকী; ৩৭। কলম; ৩৮। তামোল;
৩৯। কনি; ৪০। কাৰ্ত্তিক; ৪১। শান্তনু,
৪২। বসুদেব; ৪৩। পুৰণ; ৪৪। সত্যবতী;
৪৫। দ্ৰৌপদী; ৪৬। গণেশ; ৪৭। কদলী;
৪৮। নবিন-নতুন; ৪৯। চাউল; ৫০। বাদুলি;

১। কঠাল, ৫২। গোপাল; ৫৩। অগ্নি;
৪। ফেচা; ৫৫। মালতী; ৫৬। মমাই;
৭। ৰাবণ, বলি, শিশুপাল। ৫৮। মালতী;
৯। ভূগোল; ৬০। সাগৰ; ৬১। বগ্ন বাহণ;
২। শ্রীকৃষ্ণ, ৬৩। হনুমান।

দ্বিতীয় অধ্যায়।

উত্তৰ মালা।

১। দগা চাৰিটাৰ ওজন /১, /৩, /৯, ॥৭ সেৰ,
২। ১২, ২০, ৪ ও ৬৪—; ৩। ৭ চৰাই, ৫ চৰাই--,
৪।
৫।
৬। ২৫ জন; ৭।— ৮।— ৯।—
০।— ১১।— ১২। ১৩। ১২, ৮,৫ ও ২০,
৪। ১৫ টাকুল;

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

জাননী।

০:।:।০—

আমাৰ ওচৰত সকলো বিধৰ অসমীয়া পুথি পোৱা যায়। ভি পি ডাকত পুথি পঠোৱা হয়। আশা কৰোঁ যাক যি পুথি লাগে আমালৈ লিখিব ইতি।

এম, চি ব্রাদর্চ।
গুৱাহাটী।

PLEASE HANDLE THE BOOK CAREFULLY